# গোৱালপাৰা মহাবিদ্যালয়ত ৰক্তদান শিবিৰ

নিজা বাতৰি দিওঁতা

গোৱালপাৰা, ৫ নৱেম্বৰ ঃ ভাৰতীয় ৰেডক্ৰছ ছ'চাইটী, গোৱালপাৰা মহাবিদ্যালয়, গোৱালপাৰা টীম হিউমেনিটী, গোৱালপাৰা মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ উদ্যোগত আৰু গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ সহযোগত ৩ নৱেম্বৰত গোৱালপাৰা মহাবিদ্যালয় প্ৰাংগনত এটা ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ সুভাষ বৰ্মনে আদৰণী ভাষণ দিয়ে। ৰক্তদান সম্পৰ্কে চমুকৈ কৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। ভাৰতীয় ৰেডক্ৰছ ছ'চাইটীৰ গোৱালপাৰা জিলাৰ অধ্যক্ষ শৈলেন দাসে শিবিৰ মুকলি কৰি ভাষণ দিয়ে। অধ্যাপক ডঃ যুগব্ৰত দাসে আঁত ধৰা অনুষ্ঠানত অধ্যাপক আব্দুল হুছেইন, ডঃ হেমন্ত কুমাৰ কলিতা, ডাঃ মীৰ্জা হানিফ উলাহ, ডাঃ আৰাধনা শইকীয়া আৰু 'ব্লাড বয়' খ্যাত ৰক্তদাতা ৰাহুল খানেও দুআষাৰকৈ কয়।